# আপুনি পূৰ্বৰ প্ৰজন্মৰ তুলনাত অধিক কাল জীৱিত থাকিবলৈ ওলাইছে!!!
# আপুনি দীঘলীয়া অৱসৰকালীন জীৱনৰ আঁচনি কৰিছেনে?

### ৰিটায়াৰমেন্ট আঁচনি কিয় প্ৰয়োজন?

- কিয়নো আপোনাৰ জীৱনৰ দ্বিতীয়টো কাল অৰ্থাৎ আপোনাৰ বৃদ্ধাৱস্থাত, আপোনাৰ চিকিৎসাৰ প্ৰয়োজনীয়তাসমূহ যথেষ্ট খৰচী হ'ব।
- কিয়নো আপুনি আপোনাৰ সন্তানৰ ধনেৰে নিজৰ খৰচ চলোৱাটো পচন্দ নকৰিব।
- কিয়নো আপুনি বিচাৰে যে, আপোনাৰ ৰিটায়াৰমেন্ট আপোনাৰ কঠিন কষ্টৰ পুৰস্কাৰহে শাস্তি নহয়।
- কিয়নো আপোনাৰ ৰিটায়াৰমেন্ট আপোনাৰ আকাংক্ষাৰ অন্তিম ঢাপ হয় যদিও কিবা নতুন নতুন আকাংক্ষাও জন্ম হৈ থাকে।
- কিয়নো আপুনি কামৰপৰা অৱসৰ ল'ব বিচাৰে, জীৱনৰপৰা নহয়।

### ৰিটায়াৰমেন্ট আঁচনি কি?

- সহজ ভাষাত, ৰিটায়াৰমেন্ট আঁচনি এক এনেকুৱা আঁচনি যি কোনো ব্যক্তিৰ সক্ৰিয় চাকৰি কাল সমাপ্ত হ'লে, অৱসৰকালীন জীৱনৰ বাবে ব্যক্তিজনক প্ৰস্তুত কৰি তোলে।
- বিবেকপূৰ্ণ ৰিটায়াৰমেন্ট আঁচনিত ভৱিষ্যতৰ সুৰক্ষা আৰু প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবৰ বাবে ৰিটায়াৰমেন্ট পুঁজিৰ ব্যৱস্থাপনা কৰা হয়, যাৰদ্বাৰা অৱসৰ গ্ৰহণৰ পাছত আপোনাৰ আৰু আপোনাৰ প্ৰিয়জনৰ ইচ্ছা আৰু বিভিন্ন প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰা যায়।

**আৰামদায়ক ৰিটায়াৰমেন্ট ব্যৱস্থাপনা কৰিবৰ বাবে বিত্তীয় আঁচনিৰ প্ৰয়োজন।**

বিচাৰ কৰি চাওক

## ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা (এনপিএছ)

nps national pension system

Save Right Retire Bright

আপোনাৰ নিকটতম পিঅ'পি-এছপি-ৰ বিষয়ে জানিবৰ বাবে নিঃশুল্ক নম্বৰলৈ ফোন কৰক

**1800 110 708**

OR

**SMS**

**NPS to 56677***

*মানক শুল্ক প্ৰযোজ্য

**এনপিএছ**-ৰ বিষয়ে অধিক জানিবৰ বাবে তথা **পিঅ'পি-এছপি** সূচী চাবৰ বাবে অনুগ্ৰহ কৰি **পিএফআৰডিএ**-ৰ ৱেবচাইট **www.pfrda.org.in** চাওক

### এনপিএছ কি?

ই এক অতি উত্তম, প্ৰায়োগিক সঞ্চালিত প্ৰণালী যাৰ দ্বাৰা আজিৰ সৰু-সৰু ৰাশিৰ সঞ্চয়ে, জীৱনৰ পিছৰ কালচোৱাৰ বাবে এক পুঁজি নিৰ্ণাত কৰি তোলে।

### এনপিএছ কিয়?

- কম খৰচী প্ৰ'ডাক্ট
- ব্যক্তি, কৰ্মচাৰী আৰু নিয়োগকাৰীৰ বাবে আয়কৰত ৰেহাই
- বজাৰৰ সৈতে জড়িত আকৰ্ষণীয় আয়
- সুৰক্ষিত, নিৰ্ভৰযোগ্য আৰু বৰ্তাই ৰাখিবলৈ সহজ
- অভিজ্ঞতাসম্পন্ন পেচাদাৰীৰ দ্বাৰা প্ৰৱন্ধিত পেঞ্চন ফাণ্ড
- পিএফআৰডিএ, সংসদত গৃহীত অধিনিয়মৰ অধীনত প্ৰতিষ্ঠিত এক নিয়ামক প্ৰাধিকৰণ দ্বাৰা নিয়ন্তিত।

### ইয়াত কোন কোন চামিল হ'ব পাৰে?

আপুনি যদি তলত উল্লেখ কেইটাৰ ভিতৰত এটা বা আটাইকেইটা পূৰণ কৰিব পাৰে তেন্তে আপুনি ইয়াতি চামিল হ'ব পাৰেঃ

- ভাৰতীয় নাগৰি, নিবাসী বা প্ৰৱাসী
- চামিল হোৱাৰ তাৰিখত আপোনাৰ বয়স 18-60 বছৰৰ ভিতৰত হ'ব লাগিব
- বেতনভোগী বা আত্ম-নিয়োজিত

### মই এনপিএছ একাউন্ট ক'ত খুলিব পাৰিম?

পিএফআৰডিএ দ্বাৰা অনুমতিপ্ৰাপ্ত যিকোনো পইন্ট অৱ প্ৰেজেন্স-চাৰ্ভিছ (পিঅ'পি-এছপি)ত একাউন্ট খুলিব পাৰিব।

A Public awareness initiative on old-age income security

pfrda

पेंशन निधि विनियामक और विकास प्राधिकरण
Pension Fund Regulatory and Development Authority

स्वच्छ भारत
एक कदम स्वच्छता की ओर

DAVP/15102/13/0007/1415